[19-HRPGKOW-M3S(N) 20M]

MA 3rd Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S3-02 (Lang)]

(ভাষাবিজ্ঞানৰ সাধাৰণ পৰিচয়)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলত দিয়া প্ৰশ্নসমূহৰ *এটা* বা *দুটা* বাক্যত অতি চমু উত্তৰ লিখক : 1×8=8

(i) হিন্দী ভাষাত 'ধুৰন্ধৰ' শব্দটোৱে কি অৰ্থ বহন কৰে ?

(ii) ভেদাত্মক ভাষাবিজ্ঞানৰ আলোচনাৰ বিষয় কি ?

(iii) 'ব্যাকৰণ' শব্দৰ প্ৰথম উল্লেখ ক'ত পোৱা গৈছিল ?

(iv) ভাষাতত্ত্ববিদ চমস্কিয়ে কোন বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল ?

(v) প্ৰবাহ ধ্বনিৰ সংজ্ঞা দিয়ক।

(vi) মধ্যসৰ্গৰ এটি উদাহৰণ দাঙি ধৰক।

(vii) বাচ্যৰ ভিত্তিত বাক্যৰ তিনি প্ৰকাৰৰ বিভাজন লক্ষ্য কৰা যায়, এই তিনি প্ৰকাৰৰ বিভাজন কি কি ?

(viii) ব্লুমফিল্ডে 'অষ্টাধ্যায়ী' ব্যাকৰণক কি বুলি অভিহিত কৰিছে ?

(b) তলত দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) গুটেনবার্গে ছপাযন্ত্ৰ আৱিষ্কাৰ কৰে

1. ১৪৪৫ চনত
2. ১৪৫০ চনত
3. ১৫৪০ চনত
4. ১৫৫০ চনত

(ii) গ্ৰীনলেণ্ড, আলাস্কা, আলেউছিয়ান দ্বীপপুঞ্জৰ দৈনন্দিন কথিত ভাষাক নাম দিয়া হৈছে

1. জাপানী
2. মেক্সীয়
3. ককেছীয়
4. এস্কিমো

(iii) খচী ভাষা

1. অষ্ট্ৰিক ভাষা পৰিয়ালৰ
2. তিব্বত-বর্মী ভাষা পৰিয়ালৰ
3. দ্ৰাবিড় ভাষা পৰিয়ালৰ
4. ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ

(iv) বিংশ শতিকাৰ মাজভাগত এডৱার্ড ছাপিৰৰ চিন্তা-চর্চাৰ মাজত বীজ অংকুৰিত হৈছিল

1. নৃতাত্ত্বিক ভাষাবিজ্ঞানৰ
2. ভূ-ভাষাবিজ্ঞানৰ
3. মনস্তাত্ত্বিক ভাষাবিজ্ঞানৰ
4. সমাজ ভাষাবিজ্ঞানৰ

(c) খালী ঠাঁই পূৰণ কৰক : 1×4=4

(i) *A Comparative Grammar of Modern Aryan Language* গ্ৰন্থখন _____ৰ ৰচনা।

(ii) ভাষাতত্ত্বৰ ইতিহাসত _____ ৰ নাম প্ৰথমেই ল'ব লাগিব।

(iii) খ্ৰীঃ পূঃ ২য় শতিকাত পতঞ্জলিয়ে _____ ৰচনা কৰে।

(iv) সমকালীন ভাষাবিজ্ঞানৰ মূল প্ৰৱক্তাজন হ'ল _____।

(Continued)

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়ক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) ধ্বনিতত্ত্বৰ সংজ্ঞা দিয়ক।

(b) ভাষাৰ অধ্যয়ন প্ৰক্ৰিয়াক 'বিজ্ঞান' অভিধাৰে সামৰি লোৱাৰ মূল কাৰণ কি?

(c) ভাষা-চিন্তাৰ ইতিহাসক সময়ৰ দিশৰ পৰা যুগ বিভাজন কেনেদৰে কৰা হৈছে?

(d) ভাষাবিজ্ঞানৰ আভ্যন্তৰীণ শাখাৰ বিষয়ে আভাস দিয়ক।

(e) বিশিষ্ট ধ্বনিবিজ্ঞানৰ দুটি বৈশিষ্ট্য উল্লেখ কৰক।

(f) বদ্ধ প্ৰাকৃতি আৰু মুক্ত প্ৰাকৃতিৰ একোটিকৈ উদাহৰণ দাঙি ধৰক।

3. তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) অসমীয়া ভাষাৰ বাক্যবোৰক গাঁথনিক দিশৰ পৰা কি কি ভাগত ভাগ কৰিব পাৰি? প্ৰতিবিধৰে উদাহৰণ দি সংজ্ঞা লিখক।

(b) তুলনামূলক ভাষাতত্ত্বৰ ধাৰা সম্পৰ্কে এটি আভাস দিয়ক।

(c) চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ চমু পৰিচয় দি এই ভাষাগোষ্ঠীৰ উপশাখা অসম-বর্মীৰ অন্তৰ্গত ভাষাসমূহৰ উল্লেখ কৰক।

(d) অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অন্তৰ্গত অষ্ট্ৰ'এছীয় শাখাৰ ভাষা সম্পৰ্কে এটি টোকা লিখক।

(e) টাইমূলীয় ভাষাসমূহৰ বিষয়ে টোকা লিখক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) ভাষাবিজ্ঞানৰ সামগ্ৰী বুলিলে কি বুজে? এই সামগ্ৰীসমূহৰ অধ্যয়নৰ স্তৰসমূহৰ বিষয়ে চমুকৈ লিখক।

(b) গ্ৰীচত ভাষাচিন্তাৰ ক্ৰমবিকাশ সম্পৰ্কে বহলাই আলোচনা কৰক।

(c) ব্যঞ্জনধ্বনি কাক বোলে? উচ্চাৰণৰ প্ৰকৃতি অনুসৰি ব্যঞ্জনধ্বনিৰ বিভাজন কেনেদৰে কৰা হয়, আলোচনা কৰক।

(d) নব্য-ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজে? এই ভাষাগোষ্ঠীৰ বিভিন্ন ভাগবোৰৰ একোটিকৈ চমু টোকা প্ৰস্তুত কৰক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) ভাষা বিজ্ঞানীসকলৰ মতবোৰ উল্লেখ কৰি ভাষাবিজ্ঞানৰ বিভিন্ন শাখা-প্ৰশাখাবোৰৰ সম্পৰ্কত এটি বহল আলোচনা আগবঢ়াওক।

(b) সৰ্গ কাক বোলে? কি কি দিশৰ ওপৰত গুৰুত্ব দি সৰ্গৰ শ্ৰেণীবিভাগ কৰা হয়, প্ৰতিটো বিভাগৰে উদাহৰণ দি এটি প্ৰবন্ধ লিখক।

(c) স্বাভাৱিক ভাষা প্ৰক্ৰিয়া কি? এই প্ৰক্ৰিয়াৰ ব্যৱহাৰিক ক্ষেত্ৰসমূহৰ গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোকপাত কৰি বুজাই লিখক।

(d) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজে? আকৃতিমূলক বৰ্গীকৰণৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰক।

★★★